بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)ৰ ২৬ আগষ্ট ২০২২ চনত মছজিদ মোবাৰক, ইছলামাবাদ (বৃটেইন)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ৰ খিলাফৎ কালত বৰ্হিআৰবীয়ান বিৰুদ্ধবাদী সকলৰ আক্ৰমণ প্ৰতিহত কৰিবলৈ সংঘটিত হোৱা যুদ্ধ সম্পৰ্কে বৰ্ণনা।**

أَشْهَدُ أَنْ لَا إِلَٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাছাহুদ তাউয আৰু চুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)য়ে পঠোৱা ছিৰিয়া (স্বাম) অভিযান সম্পৰ্কে বৰ্ণনা চলি আছিল। বৰ্হিদেশীয় শত্ৰু সকলৰ আক্ৰমণ ৰোধ কৰিবলৈ এইবোৰ অভিযান চলাবলগীয়া হৈছিল। ইয়াৰে তিনিটা যুদ্ধ অভিযান সম্পৰ্কে যোৱা জুমাৰ খোতবাত আলোচনা কৰা হৈছে। চতুৰ্থ অভিযান হজৰত আমৰ বিন আচ (ৰাঃ)ৰ নেতৃত্বত পঠোৱা হয়। এই সম্পৰ্কে উল্লেখ আছে যে চতুৰ্থ বাহিনীটো হজৰত আবু বক্কৰ (ৰাঃ)য়ে হজৰত আমৰ বিন আচ (ৰাঃ)ৰ তত্ত্বাৱধানত ছিৰিয়াৰ ফালে ৰাওনা কৰিছিল। হজৰত আমৰ বিন আচ (ৰাঃ) ছিৰিয়ালৈ যোৱাৰ আগত কজাআৰ এখন ঠাইৰ ছাদকা আদায় লোৱাৰ বাবে নিযুক্ত হৈছিল। হজৰত আবু বক্কৰ (ৰাঃ)য়ে এই অভিযানৰ সিদ্ধান্ত লোৱাৰ লগে লগে হজৰত আমৰ (ৰাঃ)ক মদিনালৈ মাতি পঠোৱা হয় আৰু তেখেতক মদিনাৰ বাহিৰত গৈ বাহৰ পাতিবলৈ আদেশ জাৰি কৰা হয় যাতে বেলেগ লোক সকলে গৈ তেখেতৰ লগত একগোট হ'ব পাৰে। যেতিয়া হজৰত আমৰ (ৰাঃ)য়ে যাত্ৰা আৰম্ভ কৰাৰ সিদ্ধান্ত লৈছিল, তেতিয়া হজৰত আবু বক্কৰ (ৰাঃ)য়ে তেখেত (ৰাঃ)ক বিদায় দিবলৈ লওঁতে কেইটামান জৰুৰী নচিহত আগবঢ়াইছিল। হজৰত আমৰ বিন আচ (ৰাঃ)য়ে আৰজ কৰিছিল! এয়া কিমানেই উত্তম কথা মোৰ বাবে যে মই আপোনাৰ কল্পনাক সত্যত পৰিণত কৰি দেখুৱাও আৰু আপোনাৰ এই সিদ্ধান্ত যেন মোৰ ফালেৰে ভুল বুলি প্ৰমাণিত নহয়।

তেখেত (ৰাঃ)ৰ বাহিনীৰ সৈন্য সংখ্যা আছিল প্ৰায় সাত হাজাৰ আৰু অভিযানৰ লক্ষ্যস্থল আছিল পেলেষ্টাইন। এখেত (ৰাঃ)য়ে এহেজাৰ মুজাহিদিনৰ এদল সৈন্য বাহিনী সাজু কৰি হজৰত আব্দুল্লাহ বিন উমৰ (ৰাঃ)ৰ নেতৃত্বত ৰোমৰ ফালে ৰাওনা কৰে। এই দলটোৱে গৈ

ৰোমীয় বাহিনীৰ বিৰুদ্ধে যুদ্ধত অৱতীৰ্ণ হয় আৰু শত্ৰু শক্তিৰ বিনাশ কৰি সিহঁতৰ ওপৰত জয়লাভ কৰে; আৰু কিছুমানক কয়েদী বনাই লগত লৈ ওভতি আহে। হজৰত আমৰ (ৰাঃ)য়ে সেই কয়েদী সকলক সোধ-পোছ কৰি গম পায় যে ৰোমীয় ফৌজ ৰুচৰ নেতৃত্বত মুছলমান সকলৰ ওপৰত অতৰ্কিত আক্ৰমণ চলোৱাৰ যো-জা চলাইছে। এই গোপন পৰিকল্পনা সম্পৰ্কে গম পাই হজৰত আমৰ বিন আচ (ৰাঃ)য়ে নিজৰ বাহিনীক সষ্টম কৰি লৈছিল। যেতিয়া ৰোমী সৈন্যই আক্ৰমণ চলাইছিল, মুছলমান সকলে ৰোমী সৈন্যৰ আক্ৰমণ প্ৰতিহত কৰিবলৈ সক্ষম হৈছিল আৰু সিহঁতক ওভতি যাবলৈ বাধ্য কৰিছিল। ইয়াৰ পিছত সিহঁতৰ ওপৰত আক্ৰমণৰ প্ৰত্যুত্তৰত আক্ৰমণ চলাই শত্ৰু শক্তিক পৰাভূত কৰি পলায়ন কৰিবলৈ বাধ্য কৰে। ইছলামী ফৌজে সিহঁতৰ পিছানুসৰণ কৰি হাজাৰও ৰোমী সৈন্যক নিহত কৰে আৰু তাতেই এই যুদ্ধৰ অন্ত পৰে।

শ্বাহে ৰোম হৰকিলে সেই সময়ত পেলেষ্টাইনতেই আছিল। যেতিয়া তেওঁ মুছলমান সকলৰ প্ৰস্তুতিৰ খবৰ পায় তেতিয়া তেওঁ আঞ্চলিক চৰ্দাৰ সকলক মাতি আনি এঠাইত জমা কৰি সিহঁতৰ আগত আবেগিক ভাষণ প্ৰদান কৰি সিহঁতক মুছলমান সকলৰ বিৰুদ্ধে যুঁজ দিবলৈ অনুপ্ৰাণিত কৰে। পেলেষ্টাইনৰ বাসিন্দা সকলক মুছলমান সকলৰ বিৰুদ্ধে যুঁজ দিবলৈ উচটনি দি তেওঁ দামাস্কাচলৈ গুচি আহে, আকৌ ইয়াৰ পৰা হিমছ আৰু ইন্তাকিয়ালৈ গৈ তাৰে বাসিন্দা সকলক মুছলমান সকলৰ বিৰুদ্ধে যুঁজ দিবলৈ উচটনি দিয়ে। নিজে ইন্তাকিয়াত মূখ্য কেন্দ্ৰ বনাই মুছলমান সকলৰ বিৰুদ্ধে যুঁজিবলৈ প্ৰস্তুতি আৰম্ভ কৰে। হৰকিলৰ অধীনত বৰ ডাঙৰ সংখ্যাৰ ফৌজ আছিল, সেয়ে এয়া সিদ্ধান্ত লৈছিল যে মুছলমান সকলৰ প্ৰত্যেক বাহিনীৰ বিৰুদ্ধে পৃথক পৃথক বাহিনী পঠাব যাতে মুছলমান সকলৰ বাহিনীৰ প্ৰত্যেকটো শাখা সিহঁতৰ তুলনাত দুৰ্বল হৈ পৰে আৰু যুদ্ধত পৰাস্ত কৰিব পাৰে।

হজৰত আবু উবেয়দা (ৰাঃ)য়ে যেতিয়া জাবিয়া নামক ঠাইৰ ওচৰত আছিল তেতিয়া তেখেতক এজন লোকে আহি খবৰ দিছিল যে হৰকিলে ইন্তাকিয়াত অৱস্থান কৰিছে আৰু তোমালোকৰ বিৰুদ্ধে যুঁজ দিবলৈ ইমান ডাঙৰ ফৌজ সাজু কৰিছে যে ইয়াৰ আগত তাৰ পূৰ্বপুৰুষ সকলে এনেকুৱা বাহিনী কোনো সম্প্ৰদায়ৰ বিৰুদ্ধে সাজু কৰা নাছিল। এই খবৰ শুনা মাত্ৰেই হজৰত আবু উবেয়দা (ৰাঃ)য়ে হজৰত আবু বক্কৰ (ৰাঃ)ক পত্ৰযোগে হৰকিলৰ এই প্ৰস্তুতি আৰু শক্তি সম্পৰ্কে খবৰ পঠাই দিয়ে। তেতিয়া হজৰত আবু বক্কৰ (ৰাঃ)য়ে উত্তৰত লিখিছিল যে হৰকিলে ইন্তাকিয়াত অৱস্থান কৰা মানে তাৰ আৰু তাৰ লগৰীয়া সকলৰ পৰাজয় নিশ্চিত আৰু তোমাৰ আৰু মুছলমান সকলৰ জয় সুনিশ্চিত।

ইফালে হজৰত আমৰ বিন আচ (ৰাঃ)য়েও হজৰত আবু বক্কৰ (ৰাঃ)লৈ পত্ৰ লিখে। ইয়াৰ উত্তৰত হজৰত আবু বক্কৰ (ৰাঃ)য়ে লিখিছিল যে তোমাৰ পত্ৰ মই পাইছো, য'ত তুমি

ৰোমীয় সৈন্য একগোট হোৱাৰ বিষয়ে লিখিছা, তেন্তে মনত ৰাখিবা, আল্লাহ তা'লা তাৰ নবী (ছাঃ)ক অধিক সৈন্য বাহিনীৰ বলত বিজয় দান কৰা নাই। তেতিয়া আমাৰ অৱস্থা এনেকুৱা আছিল যে আমি তেখেত (ছাঃ)ৰ লগত থাকি মাত্ৰ দুটা ঘোঁৰা আৰু এটা উটৰ পিঠিত এজনৰ পিছত এজনকৈ আৰোহণ কৰি জিহাদ কৰিছিলোঁ। তথাপি কিন্তু আল্লাহ তা'লাই আমাক আমাৰ শত্ৰুৰ ওপৰত বিজয় দান কৰিছিল আৰু আমাক সহায় কৰিছিল।

হজৰত ইয়াজিদ বিন আবু ছুফিয়ান (ৰাঃ)য়েও এই সম্পৰ্কে পত্ৰ লিখি হজৰত আবু বক্কৰ (ৰাঃ)ৰ পৰা সহায় বিচাৰি পঠিয়ায়।যাৰ উত্তৰত হজৰত আবু বক্কৰ (ৰাঃ)য়ে লিখিছিল তেতিয়া ৰণ ক্ষেত্ৰত তেওঁলোকৰ সৈতে তোমালোকৰ মোকাবিলা হ'ব তেতিয়া নিজৰ লগৰীয়া সকলক লৈ সিহঁতৰ ওপৰত জপিয়াই পৰিবা আৰু তুমুল ৰণ কৰিবা, আল্লাহ তা'লা তোমালোকক নিৰাশ নকৰিব। আল্লাহ তা'লা মোক খবৰ দিছে যে আল্লাহৰ আদেশত সৰু সৈন্যদলে ডাঙৰ সৈন্যদলৰ ওপৰত জয় লাভ কৰে আৰু ইয়াৰ ওপৰি মই তোমালোকৰ সাহায্যাৰ্থে মুজাহিদিনৰ পিছত মুজাহিদিন পঠাই আছো যাতে তোমালোকৰ বাবে যথেষ্ট হয় আৰু বেছিকৈ পোৱাৰ প্ৰয়োজনীয়তা উপলব্ধি নকৰা।

হজৰত আবু বক্কৰ (ৰাঃ)য়ে হজৰত হাশিম বিন উতবা (ৰাঃ)ক ইছলামী সৈন্য বাহিনীৰ সাহায্যাৰ্থে স্বামলৈ যোৱাৰ আদেশ দি কৈছিল যে মুছলমান সকলে মোলৈ পত্ৰযোগে কাফিৰ সকলৰ মোকাবিলা কৰিবলৈ সাহায্য বিচাৰি পঠিয়াইছে। গতিকে তুমি তোমাৰ লগৰীয়া সকলক লৈ তেওঁলোকৰ ওচৰলৈ যোৱা। মই মুছলমান সকলক তোমাৰ লগত যোৱাৰ বাবে সাজু কৰি আছো, তুমি ইয়াৰ পৰা যাত্ৰা কৰি গৈ হজৰত আবু উবেয়দা (ৰাঃ)ক লগ ধৰিবা।

হজৰত আবু বক্কৰ (ৰাঃ)য়ে হজৰত ছঈদ বিন আমৰ বিন হজিম (ৰাঃ)ক ছিৰিয়াৰ যুদ্ধলৈ পঠাব বিচৰাত হজৰত ছঈদ (ৰাঃ)য়ে হজৰত আবু বক্কৰ (ৰাঃ)ৰ ওচৰত আহি ছিৰিয়াৰ যুদ্ধ সম্পৰ্কে কিছুমান চাহিদা পূৰণ কৰিবলৈ আবেদন জনাই যুদ্ধলৈ যোৱাৰ ইচ্ছা প্ৰকাশ কৰে। তেতিয়া হজৰত আবু বক্কৰ (ৰাঃ)য়ে তেখেতক যুদ্ধৰ বাবে সাজু হ'বলৈ নিৰ্দেশ দি কয় যে মই ছিৰিয়াৰ ফালে মুছলমান সকলৰ এটা বাহিনী পঠাবলৈ লৈছো, তাৰ ওপৰত তোমাক আমিৰ নিযুক্ত কৰিলোঁ। ইয়াৰ পিছত আবু বক্কৰ (ৰাঃ)য়ে হজৰত বিলাল (ৰাঃ)ৰ জৰিয়তে এই যুদ্ধ যাত্ৰা সম্পৰ্কে লোকলৈ ঘোষণা কৰে।

যেতিয়া হজৰত ছঈদ (ৰাঃ)য়ে যাত্ৰা আৰম্ভ কৰিবলৈ সাজু হৈছিল তেতিয়া হজৰত বিলাল (ৰাঃ)য়ে হজৰত আবু বক্কৰ (ৰাঃ)ৰ ওচৰত গৈ উপস্থিত হয় আৰু আবেদন জনায় যে মোক আপুনি আল্লাহৰ বাটত জিহাদ কৰিবলৈ অনুমতি দিয়ক। মই বহি থকাতকৈ জিহাদ কৰা বেছি পছন্দ কৰো। এয়া শুনি হজৰত আবু বক্কৰ (ৰাঃ)য়ে কৈছিল যদি তোমাৰ জিহাদ কৰিবলৈ ইচ্ছা আছে তেন্তে মই তোমাক বহি থাকিবলৈ কেতিয়াও আদেশ নিদিওঁ মই তোমাক কেৱল

আজান দিয়াৰ বাবে বিচাৰো। হে বিলাল মই তোমাক মোৰ পৰা দূৰ হ'বলৈ দিয়াত বৰ ভয় হয়। কিন্তু এনেকুৱা দূৰত্ব অৱশ্যেই হ'ব যাৰ পিছত কিয়ামতলৈকে আৰু সাক্ষাৎ নহয়। হে বিলাল ! তুমি নেক আমল কৰি থাকিবা। এইখন জগত তোমাৰ আখেৰাতৰ খেতি, যেতিয়ালৈকে জীৱিত থাকিবা তোমাৰ কাম বাকী থাকিব আৰু যেতিয়া মৃত্যু বৰণ কৰিবা তেতিয়া ইয়াৰ উত্তম পুণ্য প্ৰদান কৰিব। হজৰত বিলাল (ৰাঃ)য়ে নিবেদন কৰিছিল মই ৰছুলুল্লাহ (ছাঃ)ৰ পিছত কাৰো বাবে আজান দিব নিবিচাৰো। এই বুলি হজৰত বিলাল (ৰাঃ)য়ে হজৰত ছঈদ বিন আমৰ বিন হজিমৰ লগত যুদ্ধলৈ ৰাওনা হৈছিল।

ইয়াৰ পিছত জিহাদী দলবোৰ ওভতি মদিনালৈ আহিব ধৰে আৰু আহি আহি হজৰত আবু বক্কৰ (ৰাঃ)ৰ ওচৰত জমা হয়। তেতিয়া হজৰত আবু বক্কৰ (ৰাঃ)য়ে সিহঁতৰ ওপৰত হজৰত মোৱাবিয়া (ৰাঃ)ক আমিৰ হিচাপে নিযুক্তি দিয়ে আৰু তেখেতক নিজৰ ভাই হজৰত ইয়াজিদ বিন আবু ছুফিয়ান (ৰাঃ)ৰ লগত গৈ মিলিবলৈ আদেশ দিয়ে। হজৰত মুৱাবিয়া (ৰাঃ)ৰ আদেশ মতে গৈ ইয়াজিদ (ৰাঃ)ৰ লগত মিলে। ইয়াৰ পিছত হজৰত হামজা বিন আবু বক্কৰ হামদানি (ৰাঃ)ৰ ওচৰত আহি উপস্থিত হয়। হজৰত ছিদ্দিক আকবৰ (ৰাঃ)য়ে সিহঁতৰ সংখ্যা আৰু তৈয়াৰি চাই আনন্দিত হৈ কয় যে আমি তিনিজনক আমিৰ হিচাপে নিযুক্তি দিছো। তুমি সিহঁতৰ মাজৰ যাৰ লগত ইচ্ছা তাৰ লগত মিলি যোৱা। হজৰত হামজা (ৰাঃ)য়ে পঠোৱা তিনিও আমিৰৰ মাজত শ্ৰেষ্ঠ আৰু নবী কৰিম (ছাঃ)ৰ নিকটতম হিচাপে আটাইতকৈ উত্তম ব্যক্তি হ'ল হজৰত আবু উবেয়দা বিন আল জাৰৰাহ (ৰাঃ) সেয়ে এখেতে গৈ হজৰত আবু উবেয়দা (ৰাঃ)ৰ লগত মিলে।

হজৰত আবু উবেয়দা (ৰাঃ)য়ে এটাৰ পিছত এটাকৈ পত্ৰ পঠোৱাৰ কাৰণে হজৰত আবু বক্কৰ (ৰাঃ)য়ে হজৰত খালিদ বিন অলিদ (ৰাঃ)ক ছিৰিয়ালৈ পঠোৱাৰ সিদ্ধান্ত লয়। হজৰত খালিদ (ৰাঃ)য়ে তেতিয়া ইৰাকত আছিল। যেতিয়া হজৰত আবু বক্কৰ (ৰাঃ)য়ে তেখেতক ছিৰিয়ালৈ গৈ ইছলামী সৈন্য বাহিনীৰ বাগডোৰ চম্ভালি ল'বলৈ আদেশ দিয়ে আৰু হজৰত আবু উবেয়দা (ৰাঃ)লৈ লিখি পঠিয়ায় যে মই ছিৰিয়াত মুছলমান সকলৰ যুদ্ধৰ নেতৃত্ব খালিদ (ৰাঃ)ৰ ওপৰত ন্যস্ত কৰিছোঁ, তোমালোকে তাৰ  বিৰোধীতা নকৰিবা তেওঁৰ আদেশ পালন কৰিবা। যেতিয়া হজৰত খালিদ বিন অলিদ (ৰাঃ)য়ে মুছলমান সকলৰ লগত বুছৰাত গৈ উপস্থিত হয়, তাতে সকলো সৈন্য বাহিনী আহি জমা হৈ যায় আৰু সকলোৱে হজৰত খালিদ বিন অলিদ (ৰাঃ)ক তাৰে যুদ্ধ পৰিচালনা কৰিবলৈ আমিৰ বনাই লয়। তাৰ পিছত তেওঁলোকে গৈ চহৰ অৱৰোধ কৰে। পৰিস্থিতি সাপেক্ষে সেই ঠাইৰ বাসিন্দা সকলে সন্ধি স্থাপন কৰে আৰু মুছলমান সকলক জিজিয়া দিবলৈ বাধ্য হয় আৰু মুছলমান সকলে সিহঁতক ধনমাল প্ৰাণ আদিৰ নিৰাপত্তা দিবলৈ চুক্তিবদ্ধ হয়। বুছৰা বিজয়ৰ পিছত হজৰত খালিদ (ৰাঃ), হজৰত আবু উবেয়দা (ৰাঃ),হজৰত ছুৰহাবিল

(ৰাঃ),হজৰত ইয়াজিদ (ৰাঃ)য়ে হজৰত আমৰ বিন আলআচ (ৰাঃ)ক সহায় কৰিবলৈ পেলেষ্টাইনলৈ যাত্ৰা কৰে। হজৰত আমৰ (ৰাঃ)য়ে সেই সময়ত পেলেষ্টাইনৰ কাষৰীয়া অঞ্চলত অৱস্থান কৰি আছিল আৰু ইছলামী সৈন্য বাহিনীৰ লগত আহি মিলিবলৈ চেষ্টা কৰি আছিল কিন্তু ৰোমী সেনা সকলে এখেতৰ পিছানুসৰণ কৰি আছিল আৰু যুদ্ধত অৱতীৰ্ণ হ'বলৈ বাধ্য কৰাৰ চেষ্টা কৰিছিল। ৰোমীয় সকলে যেতিয়া খবৰ পায় যে মুছলমান সকলৰ এটা শক্তিশালী বাহিনী পেলেষ্টাইন আহি পাইছেহি তেতিয়া তেওঁলোকে আজনাদিনৰ ফালে পিছুৱাই যায়। ইফালে হজৰত আমৰ (ৰাঃ)য়ে মুছলমান বাহিনীৰ আগমনৰ খবৰ পাই তাৰ পৰা ওলাই আহি এই বাহিনীৰ লগত মিলি যায় আৰু সকলোৱে গৈ আজনাদিনত উপস্থিত হয় আৰু ৰোমীয় সকলৰ আগত শাৰী পাতি যুদ্ধৰ বাবে থিয় দিয়ে। ৰোমী সেনাদক্ষই মুছলমান সকলক কিবা-কিবি দি ওভতাই পঠাব বিচাৰে কিন্তু হজৰত খালিদ (ৰাঃ)য়ে সেয়া গ্ৰহণ নকৰে। হজৰত খালিদ বিন অলিদ (ৰাঃ)য়ে ওলাই আহি সৈন্য বাহিনীক শৃংখলা পূৰ্ণ ভাৱে থিয় কৰাই যুদ্ধ প্ৰক্ৰিয়া সম্পৰ্কে বুজাই গৈ থাকে আৰু এনেদৰে গৈ গৈ থাকোতে লোকক কয় যে যেতিয়া মই আক্ৰমণ চলাম তেতিয়া তোমালোকেও আক্ৰমণ চলাবা। ইয়াৰ পিছত দুয়োপক্ষৰ মাজত তুমুল যুদ্ধ সংঘটিত হয় আৰু ৰোমীয় সকলে প্ৰাণ লৈ পলায় যায়। মুছলমান সকলৰ আমিৰক প্ৰবঞ্চনা কৰি হত্যা কৰাত অপৰাগ হৈ ৰোমী আমিৰ বাৰদান হজৰত জাৰাৰ (ৰাঃ) আৰু এখেতৰ সৈন্য বাহিনীৰ হাতত নিহত হয়। যেতিয়া ৰোমীয় সকলে নিজৰ আমিৰৰ মৃত্যু হোৱাৰ খবৰ পায় তেতিয়া তেওঁলোকে নিজৰ সাহস হেৰুৱাই পেলায়। এই যুদ্ধত ৰোমীয় সকলৰ সৈন্য সংখ্যা আছিল প্ৰায় এক লাখ আৰু ইয়াৰ মোকাবিলাত মুছলমান সকলৰ সংখ্যা আছিল ত্ৰিশ হাজাৰ আৰু কোনো কোনো ৰিৱায়ত অনুযায়ী পয়ত্ৰিশ হাজাৰ। এই যুদ্ধত তিনি হাজাৰ ৰোমী সৈন্য নিহত হয় আৰু বাকী পৰাজিত সৈন্য সকলে বাধ্য হৈ কেইবাটাও চহৰত গৈ আশ্ৰয় লৈছিল। আজনাদিন বিজয় বাৰ্ত্তা পত্ৰযোগে হজৰত আবু বক্কৰ (ৰাঃ)লৈ পঠোৱা হৈছিল। হুজুৰ আনোৱাৰ (আইঃ)য়ে এই বিষয়ে বৰ্ণনা দিওঁতে আজনাদিনৰ যুদ্ধ কেতিয়া সংঘটিত হৈছিল সেয়া উল্লেখ কৰে আৰু দামাস্কাচ বিজয় সম্পৰ্কে বৰ্ণনা আগলৈ হ'ব বুলি খোতবা জুমাৰ সমাপ্তি টানে। আমিন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهُ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهُ وَنَشْهَدُ أَنْ لَّآ اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمکم اللّٰه اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِی الْقُرْبٰی
وَيَنْهٰی عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْیِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

# BOOK POST (PRINTED MATTER)

TO,

.......................................................................................................................

.......................................................................................................................

.......................................................................................................................

.......................................................................................................................

.......................................................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844